# ভাৰত-পেলেষ্টাইন বিদেশ মন্ত্ৰণালয়ৰ মাজত প্ৰথম লানি পৰামৰ্শমুলক

০৪ মে ২০১৫

৪ মে ২০১৫ পেলেষ্টাইনৰ ৰামাল্লাত ভাৰত আৰু পেলেষ্টাইনৰ বিদেশ মন্ত্ৰণালয়ৰ মাজত প্ৰথম লানি বৈঠক অনুষ্ঠিত হয় ।পেলেষ্টাইনৰ প্ৰতিনিধিৰ সকলৰ নেতৃত্ব বহন কৰে পেলেষ্টাইনৰ বিদেশ মন্ত্ৰণালয়ৰ এছিয়া,আফ্ৰিকা আৰু অষ্ট্ৰেলিয়া বিশেষৰ সহকাৰী মন্ত্ৰী এম্বেচাদৰ মাজেন শামিয়াই । ভাৰতীয় প্ৰতিনিধি দলৰ নেতৃত্ব দিয়ে ভাৰত চৰকাৰৰ বিদেশ মন্ত্ৰণালয়ৰ যুটিয়া সচিব(পশ্চিম,এছিয়া আৰু উত্তৰ আফ্ৰিকা)এম্বেচাদৰ সন্দীপ কুমাৰ ।

বৈঠকত দ্বিপাক্ষিক সম্পৰ্কৰ সকলোবোৰ দিশ সন্দৰ্ভত পৰ্যালোচনা কৰা হয় ,প্ৰত্যাহ্বান সমুহ চিনাক্ত কৰা হয় আৰু সম্পৰ্ক সম্প্ৰসাৰণৰ বাবে ব্যৱস্থাপনাৰ পৰিচালনা কৌশল নিৰ্দ্ধাৰণ কৰা হয় ।পেলেষ্টাইনৰ দাবীৰ প্ৰতি ভাৰতৰ নিৰন্তৰ সমৰ্থন,মধ্য প্ৰাচ্যৰ শান্তি প্ৰক্ৰিয়াৰ সবিশেষ পৰিস্থিতি,আঞ্চলিক ঘটনাৱলী,সন্ত্ৰাসবাদৰ সৈতে মোকাবিলা আৰু ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা  পৰিষদৰ পুনৰগঠণৰ লগতে দুয়োপক্ষৰ গুৰুত্বপূৰ্ণ আঞ্চলিক আৰু বহুজাতীয় মঞ্চৰ  বিষয়সমুহ সন্দৰ্ভত আলোচনা কৰা হয় ।এই পৰিপেক্ষিতত পেলেষ্টাইনে ভাৰতৰ পক্ষত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ি সদস্য পদ লাভ কৰাৰ বাবে ভাৰতৰ উদ্যোগ আৰু আকাংশাৰ প্ৰতি সমৰ্থন আগবঢ়োৱা বিষয়টোৰ প্ৰতি বিশেষভাৱে গুৰুত্ব দিয়ে ।

নতুন দিল্লী

০৪ মে ২০১৫